দেৰগাঁৱৰ অসম আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ত গৃহমন্ত্ৰী অমিত শ্বাহ

গণ বাৰ্তা, দেৰগাঁও, ৯ অক্টোবৰ ঃ গোলাঘাট জিলাৰ দেৰগাঁৱৰ আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ৰাজ্যখনৰ আৰক্ষী অধীক্ষকসকলৰ সন্মিলন অনুষ্ঠিত হয়। প্ৰথমদিনাৰ কাৰ্যসূচীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষী অধীক্ষকসকলৰ সন্মিলনত অংশগ্ৰহণ কৰে। কাৰ্যসূচী অনুসৰি বিয়লি প্ৰায় ৫ বজাত অসম আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ৰ চৌহদত ৭ পৃষ্ঠাত


গৌৰৱোজ্জ্বল অবিৰাম যাত্ৰাৰ ২৯তম বৰ্ষ

দৈনিক গণ অধিকাৰ

মূক জনতাৰ মুক্ত কণ্ঠ



MEDICITY GUWAHATI
ARUNA MEMORIAL HOSPITAL



সাৱধানহু
চিকিৎসাজনিত জৰুৰীকালীন অৱস্থা
যিকোনো স্থানত, যিকোনো সময়তে হ'ব পাৰে
বিনামূলীয়া এম্বুলেন্স সেৱাৰ বাবে
এতিয়াই ফোন কৰক
7099001977
Rajgarh Rd, SATSANG VIHAR, Bhangagarh, Guwahati, Assam-781005
চৰ্তাৱলী প্ৰযোজ্য*


# DAINIK GANA ADHIKAR – GUWAHATI – 23.11.2022

## কেন্সাৰত আক্ৰান্ত শিশুৰ বাবে প্ৰশংসনীয় কাৰ্যত

আক্ৰান্ত শিশুসকলক বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰাই নহয়, তেওঁলোকক থকা-খোৱাৰ পৰা সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। বি বৰুৱা কেন্সাৰ ইন্‌ষ্টিটিউটৰ সমীপতে থকা তেওঁলোকৰ কেন্দ্ৰত কেন্সাৰ আক্ৰান্ত শিশুসকলক থকা-খোৱাৰ সুব্যৱস্থা কৰি আহিছে। ইমানেই নহয়, শিশুসকলৰ পিতৃ-মাতৃসকলৰ বাবেও থকা-খোৱাৰ ব্যৱস্থা কৰিছে তেওঁলোকৰ কেন্দ্ৰত। উত্তৰ-পূবৰ ভিতৰত গুৱাহাটীতেই থকা একমাত্ৰ কেন্দ্ৰটোত অসমৰ লগতে মণিপুৰ, নাগালেণ্ডকে ধৰি আন ৰাজ্যৰ শিশুসকলেও চিকিৎসাৰ সুব্যৱস্থা লাভ কৰি আহিছে। আজি তেওঁলোকৰ কেন্দ্ৰত আয়োজিত এখন সংবাদ মেলত চেণ্ট জুড্‌ছ ইণ্ডিয়াৰ অধ্যক্ষ গাৰ্গী মাশ্ৰুবালাই কয় যে ২০১৮ত গুৱাহাটীত এই কেন্দ্ৰটো স্থাপন কৰা হৈছিল। কেন্সাৰৰ বিৰুদ্ধে যুঁজ দিবলৈ শিশুসকলক উন্নত যত্নৰ প্ৰয়োজন। সেই যত্ন আগবঢ়োৱাৰ লক্ষ্য-উদ্দেশ্য আগত লৈ কেন্দ্ৰটো গুৱাহাটীত স্থাপন কৰা হৈছিল। গুৱাহাটীত দুটা কেন্দ্ৰ আছে। এই দুয়োটা কেন্দ্ৰত ২৪গৰাকী কেন্সাৰ ৰোগত আক্ৰান্ত শিশুৰ পৰিয়ালে বিনা খৰচতে থকা-খোৱাৰ উপৰি চিকিৎসা সেৱা লাভ কৰি আহিছে। ডাঃ বি বৰুৱা কেন্সাৰ ইন্‌ষ্টিটিউটত চিকিৎসাধীন শিশুসকল এই কেন্দ্ৰত থকাৰ সুব্যৱস্থা কৰি দিয়া হৈছে। উত্তৰ-পূবৰ সমগ্ৰ ৰাজ্যৰ পৰা অহা শিশুসকলক পৰিয়ালৰ সৈতে সকলোধৰণৰ যত্ন প্ৰদান কৰি অহা হৈছে। ২০০৬ চনত গঠন হোৱা এই স্বেচ্ছাসেৱী সংস্থাটোৱে টাটা মেম'ৰিয়েল হাস্পতাল, দিল্লীৰ এইম্‌ছ, টাটা মেম'ৰিয়েল চেণ্টাৰ, কলকাতা, ডাঃ বি বৰুৱা কেন্সাৰ ইন্‌ষ্টিটিউট, গুৱাহাটী আৰু অন্যান্য চিকিৎসকৰ লগত যোগাযোগ আছে। দেশৰ ৯খন মহানগৰত এই সেৱা আগবঢ়াই আহিছে। মুম্বাইত জন্ম লাভ কৰা এই সংস্থাটোৱে এতিয়া কলকাতা, হায়দৰাবাদ, জয়পুৰ, ভেলোৰ, চেন্নাই, গুৱহাটী, দিল্লী আৰু বাৰাণসীত এনে সেৱা আগবঢ়াই আহিছে। এই কেন্দ্ৰত শিশুসকলৰ চিকিৎসাৰ সকলো যত্ন লোৱাৰ উপৰি তেওঁলোকক কাৰিকৰী শিক্ষাও প্ৰদান কৰি অহা হৈছে। এতিয়ালৈ গুৱাহাটী মহানগৰীত এই কেন্দ্ৰত ৪৫০জনে চিকিৎসাৰ বাবে পঞ্জীয়ন কৰিছে। ব্যক্তিগতভাৱে ১১১টা শিশুৱে গুৱাহাটীৰ এই কেন্দ্ৰত পঞ্জীয়ন কৰিছে। কেন্সাৰত আক্ৰান্ত শিশুসকলৰ বয়স ১৫ বছৰৰ ভিতৰত। এইসকল শিশুৰ ভৱিষ্যতৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি বিশেষভাৱে তেওঁলোকৰ সেৱা-শুশ্ৰূষা কৰি অহা হৈছে। ইতিমধ্যে বহু কেন্সাৰ আক্ৰান্ত শিশু সুস্থ হৈছে বুলি উল্লেখ কৰি কয় যে সমগ্ৰ দেশত তেওঁলোকৰ কেন্দ্ৰত ৩১,০০০জনে পঞ্জীয়ন কৰিছে আৰু ব্যক্তিগতভাৱে ৫,০০০জনে সেৱা লাভ কৰিছে। আগন্তুক সময়ছোৱাত তেওঁলোকৰ কেন্দ্ৰ সম্প্ৰসাৰণ কৰাৰ লক্ষ্য ৰাখিছে। ৰাইজৰ সহায়-সহযোগো বিচাৰিছে। ২০১৮ চনতেই গুৱাহাটীত কেন্সাৰ আক্ৰান্ত শিশুৰ বাবে বিনামূলীয়া সেৱা আৰম্ভ কৰি প্ৰথমবাৰলৈ সংবাদ মেল সম্বোধন কৰি এই বেচৰকাৰী সংস্থাটোৰ টীম লীডাৰ বিশাল জৈনে কয় যে কেন্সাৰ আক্ৰান্ত শিশুসকলৰ যত্ন লোৱাটোৱে তেওঁলোকৰ মূল লক্ষ্য আৰু উদ্দেশ্য। সেই লক্ষ্য-উদ্দেশ্য আগত লৈয়ে কাম কৰি যোৱা হৈছে। আজিৰ সংবাদ মেলত উত্তৰ-পূব প্ৰমুখ ল'ৰি গৌৰ উপস্থিত থাকে।